# NSD NEWS BULLETIN
# AKASHVANI, GUWAHATI
0000000000

**Date :** 21-10-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

০০০০০০০০০

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কাইলৈ নতুন দিল্লীত পঞ্চম ৰাষ্ট্ৰীয় জল বঁটাসমূহ প্ৰদান কৰিব।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ আৰু পৰহিলৈ কাজানত অনুষ্ঠিত ব্ৰিকছ্ সন্মিলনত অংশ ল'ব।

৩। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কৈছে যে, মাদক দ্ৰব্যৰ ব্যৱসায়, চাইবাৰ অপৰাধ, অনুপ্ৰৱেশ, সন্ত্ৰাসবাদৰ দৰে বৰ্ধিত বিপদসমূহ দেশৰ সৈনিকসকলৰ দৃঢ় সংকল্পৰ সন্মুখত প্ৰত্যাহ্বান হ'ব নোৱাৰে।

৪। শ্ৰম আৰু নিয়োগ মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই আজি নতুন দিল্লীত অসংগঠিত ক্ষেত্ৰৰ কৰ্মীসকলৰ সূচলতাৰ বাবে ই-শ্ৰম পোৰ্টেল মুকলি কৰে। ***আৰু***

৫। কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহন মন্ত্ৰী ৰাম মনোহৰ নাইডু কিঞ্জাৰাপুয়ে কৈছে যে চৰকাৰে অহা ১০ বছৰলৈ উড়ান আঁচনি ৰূপায়ণ কৰাৰ লগতে আৰু ৫০ টা বিমান বন্দৰ নিৰ্মাণ কৰাৰ পৰিকল্পনা কৰিছে।

০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কাইলৈ নতুন দিল্লীত পঞ্চম ৰাষ্ট্ৰীয় জল বঁটাসমূহ প্ৰদান কৰিব। কেন্দ্ৰীয় জল শক্তি মন্ত্ৰালয়ে শ্ৰেষ্ঠ ৰাজ্য, শ্ৰেষ্ঠ জিলা, শ্ৰেষ্ঠ গাঁও পঞ্চায়ত, শ্ৰেষ্ঠ নগৰঅঞ্চল, শ্ৰেষ্ঠ জল ব্যৱহাৰকাৰী সংস্থা আৰু শ্ৰেষ্ঠ নাগৰিক সমাজ -আদি ৯ টা শাখাত ৩৮ টা বঁটা প্ৰদান কৰিব। শ্ৰেষ্ঠ ৰাজ্যৰ শিতানত ওড়িশাই প্ৰথম, উত্তৰ প্ৰদেশে দ্বিতীয় আৰু গুজৰাট আৰু পুডুচেৰীয়ে যুটীয়াভাৱে তৃতীয় স্থান লাভ কৰিছে। প্ৰতিটো শাখাৰ বিজেতাক একোখনকৈ প্ৰশস্তিপত্ৰ, ট্ৰফী আৰু নগদ ধনেৰে পুৰস্কৃত কৰা হ'ব। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, চৰকাৰে জলব্যৱস্থাপনা আৰু জল সংৰক্ষণৰ বিষয়ে সজাগতা সৃষ্টিৰ উদ্দেশ্যে ৰাষ্ট্ৰীয় পৰ্যায়ত সৰ্বাত্মক অভিযান ৰূপায়ণ কৰিছে। উল্লেখযোগ্য যে, ৰাষ্ট্ৰীয় জল বঁটাৰ বাবে চৰকাৰৰ জল সমৃদ্ধ ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ বাবে কাম কৰা বা প্ৰয়াস চলোৱা ব্যক্তি-সংগঠনক বাচনি কৰা হয়।

০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যোড়শ ব্ৰীকছ্ সন্মিলনত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে কাইলৈ ৰাছিয়ালৈ যাব। প্ৰধানমন্ত্ৰী মোদীয়ে ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনৰ আমন্ত্ৰণমৰ্মে কাইলৈ আৰু পৰহিলৈ কাজানত অনুষ্ঠিত ব্ৰিকছ্ সন্মিলনত অংশ ল'ব। প্ৰধানমন্ত্ৰীৰ ৰাছিয়া ভ্ৰমণ সন্দৰ্ভত আজি নতুন দিল্লীত সাংবাদিকৰ আগত বিদেশ সচিব বিক্ৰম মিশ্ৰিয়ে কয় যে, ভাৰত হৈছে ব্ৰীকছ্ৰ প্ৰতিষ্ঠাপক সদস্য ৰাষ্ট্ৰ আৰু আৰম্ভণিৰে পৰা ইয়াৰ সকলো কাৰ্যকলাপ তথা পদক্ষেপত ভাৰতে অংশগ্ৰহণ কৰি আহিছে। ব্ৰীকছ্ৰ বাবে ভাৰতৰ গুৰুত্ব সন্দৰ্ভত আলোকপাত কৰি শ্ৰীমিশ্ৰিয়ে কয় যে, অৰ্থনৈতিক বিকাশ, বহনক্ষম উন্নয়ন আৰু গোলকীয় শাসন সংস্কাৰ আদিৰ দৰে বিভিন্ন ক্ষেত্ৰত ব্ৰীকছ্ৰ প্ৰচেষ্টাত ভাৰতে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে।

বিদেশ সচিবগৰাকীয়ে লগতে উল্লেখ কৰে যে, ব্ৰীকছে ভালেমান গোলকীয় প্ৰত্যাহ্বান প্ৰতিহত কৰাৰ ক্ষেত্ৰত এখন গুৰুত্বপূৰ্ণ মঞ্চ হিচাপে সেৰা আগবঢ়াই আহিছে। তেওঁ কয় যে, এই দুদিনীয়া শীৰ্ষ সন্মিলনে অৰ্থনৈতিক সহযোগিতা শক্তিশালী কৰা, শক্তি আৰু খাদ্য সুৰক্ষাৰ বাবে সহযোগিতাৰ প্ৰসাৰ কৰা তথা স্বাস্থ্যখণ্ডত সহযোগিতা বৃদ্ধি কৰিব। বিদেশ সচিবগৰাকীয়ে লগতে কয় যে, যোৱা বছৰ জোহান্সবাৰ্গত অনুষ্ঠিত সন্মিলনত প্ৰথমবাৰৰ বাবে ব্ৰীকছৰ সম্প্ৰসাৰণ হোৱাৰ পাছত এইবাৰ প্ৰথম এই সন্মিলন অনুষ্ঠিত হ'ব। যোৱাবছৰ ইজিপ্ত, ইৰাণ, ইথিউপিয়া আৰু সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰক ব্ৰীকছৰ অন্তৰ্ভুক্ত কৰাৰ প্ৰস্তাৱ আগবঢ়োৱা হৈছিল। শ্ৰীমিশ্ৰিয়ে লগতে উল্লেখ কৰে যে, কাইলৈ এই শীৰ্ষ সন্মিলন আৰম্ভ হ'ব যদিও বুধবাৰে মূল সন্মিলন অনুষ্ঠিত হ'ব।

বাইট

শ্ৰীমোদীয়ে এই সন্মিলনৰ সুযোগতে ব্ৰীকছ্‌ সদস্য ৰাষ্ট্ৰৰ নেতা তথা অন্যান্য আমন্ত্ৰিত ব্যক্তিসকলৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব। এইবাৰৰ এই সন্মিলনৰ বিষয় হৈছে-**গোলকীয় বিকাশ আৰু সুৰক্ষাৰ বাবে বহুপাক্ষিকতা শক্তিশালী কৰা**। এই সন্মিলনে বিশ্বৰ নেতাসকলক গুৰুত্বপূৰ্ণ গোলকীয় বিষয় সন্দৰ্ভত আলোচনা কৰাৰ বাবে এখন মঞ্চ প্ৰদান কৰিব। তদুপৰি এই সন্মিলনে ব্ৰিকছ্‌ ৰাষ্ট্ৰগোষ্ঠীয়ে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ অগ্ৰগতি সন্দৰ্ভত আলোচনা কৰাৰ লগতে ভৱিষ্যতৰ সহযোগিতাৰ সম্ভাৱনা থকা ক্ষেত্ৰসমূহ চিনাক্ত কৰাৰ ক্ষেত্ৰত বিশেষ সুযোগ প্ৰদান কৰিব। মূল বৈঠকৰ উপৰি **ব্ৰিকছ আৰু গোলকীয় দক্ষিণ ঃ একেলগে বিশ্বৰ ভৱিষ্যৎ নিৰ্মাণ** বিষয়ত ব্ৰিকছ্‌ প্লাছ বৈঠকো অনুষ্ঠিত হ'ব। এই বৈঠকত এছিয়া, আফ্ৰিকা, মধ্য প্ৰাচ্য আৰু দক্ষিণ আমেৰিকাৰ প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰিব।

০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কৈছে যে, মাদক দ্ৰব্যৰ ব্যৱসায়, চাইবাৰ অপৰাধ, সন্ত্ৰাসবাদ, অনুপ্ৰৱেশ আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ জৰিয়তে অস্থিৰতা বিয়পোৱাৰ প্ৰয়াসৰ দৰে বৰ্ধিত বিপদসমূহ দেশৰ সৈনিকসকলৰ দৃঢ় সংকল্পৰ সমুখত প্ৰত্যাহ্বান হ'ব নোৱাৰে। আৰক্ষী স্মৃতি দিৱস উপলক্ষে আজি নতুন দিল্লীৰ ৰাষ্ট্ৰীয় আৰক্ষী স্মাৰকত শ্ৰদ্ধাঞ্জলি অৰ্পন কৰি শ্ৰীশ্বাহে কয় যে, বিগত দশকত সুৰক্ষা বাহিনীৰ ত্যাগ আৰু বলিদানৰ ফলস্বৰূপে দেশত শান্তি স্থাপন সম্ভৱ হৈ উঠিছে। এই প্ৰসংগত তেওঁ জম্মু-কাশ্মীৰ, উত্তৰ প্ৰদেশ তথা বাওপন্থী সন্ত্ৰাসবাদৰ দ্বাৰা প্ৰভাৱিত অঞ্চলসমূহত বিগত দশকসমূহত শান্তি বিঘ্নিত হোৱাৰ বিষয়ত আলোকপাত কৰে। শ্ৰীশ্বাহে কয় যে, নতুনকৈ গৃহীত হোৱা ৩ খন ফৌজদাৰী আইন ইতিমধ্যে সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত ৰূপায়ণ কৰা হৈছে। এই আইনকেইখন সম্পূৰ্ণৰূপে ৰপায়ণ হ'লে দেশৰ ন্যায় ব্যৱস্থা বিশ্বৰ ভিতৰতে অত্যাধুনিক ন্যায় ব্যৱস্থা হৈ উঠিব বুলি গৃহমন্ত্ৰীগৰাকীয়ে  প্ৰকাশ কৰে। তেওঁ লগতে দেশৰ যিকোনো অংশত অপৰাধ সংঘটিত হলে ৩ বছৰৰ ভিতৰত ন্যায় প্ৰদান কৰা হ'ব বুলিও উল্লেখ কৰে। আনহাতে আৰক্ষীৰ লোকসকলৰ কল্যাণৰ বাবে চৰকাৰে মুকলি কৰা বিভিন্ন আঁচনিত আলোকপাত কৰি শ্ৰীশ্বাহে কয় যে, আয়ুষ্মান চি এ পি এফ আঁচনিৰ জৰিয়তে ৪১ লাখৰো অধিক কাৰ্ড বিতৰণ কৰা হৈছে।

০০০

শ্ৰম আৰু নিয়োগ মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই আজি নতুন দিল্লীত অসংগঠিত ক্ষেত্ৰৰ কৰ্মীসকলৰ সূচলতাৰ বাবে ই-শ্ৰম পোৰ্টেল মুকলি কৰে। অনুষ্ঠানত ভাষণ দি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ই শ্ৰম পোৰ্টেলৰ প্ৰতি কৰ্মচাৰীসকলৰ বৰ্ধিত আস্থা সন্দৰ্ভত গুৰুত্ব আৰোপ কৰে। তেওঁ কয় যে, প্ৰতিদিনে ৬ ৰ পৰা ৯ হাজাৰ কৰ্মচাৰীয়ে এই প্লেটফৰ্মত যোগদান কৰিছে।

এই মঞ্চৰ জৰিয়তে অসংগঠিত ক্ষেত্ৰৰ কৰ্মীসকলে বিভিন্ন সামাজিক সুৰক্ষা আঁচনিৰ সুবিধা সহজেই লাভ কৰিব বুলি ড০ মন্দাভিয়াই প্ৰকাশ কৰে। তেওঁ অসংগঠিত ক্ষেত্ৰৰ সকলো কৰ্মীকে এই পোৰ্টেলত পঞ্জীয়ন কৰি কল্যাণমূলক আঁচনিসমূহৰ সুবিধা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। এই পদক্ষেপৰ প্ৰাথমিক লক্ষ্য হৈছে - একক মঞ্চৰ জৰিয়তে সক্ৰিয়ভাৱে অসংগঠিত ক্ষেত্ৰৰ কৰ্মীসকলৰ বাবে থকা সকলো সামাজিক সুৰক্ষা তথা কল্যাণমূলক আঁচনিৰ হিতাধিকাৰীৰ বিষয়ে তথ্য যুগুত কৰা।

০০০

কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহন মন্ত্ৰী ৰাম মনোহৰ নাইডু কিঞ্জাৰাপুয়ে কৈছে যে বিমান চলাচলৰ ক্ষেত্ৰত প্ৰভাৱ পেলাব পৰা ভূৱা ফোন কলসমূহৰ সমস্যা সমাধানৰ উদ্দেশ্যে সুৰক্ষা আৰু সতৰ্কতাতন্ত্ৰৰ বৃদ্ধি কৰাৰ বাবে চৰকাৰে সক্ৰিয় পদক্ষেপ গ্ৰহণ কৰিছে। তেওঁ কয় যে, বিষয়টো সন্দৰ্ভত চৰকাৰে অংশীদাৰসকলৰ সৈতে আলোচনা কৰি আছে আৰু অসামৰিক বিমান পৰিবহন মন্ত্ৰালয় এনে ভূৱা ফোনকলৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ প্ৰচেষ্টা অব্যাহত ৰাখিছে। তেওঁ কয় যে, যাত্ৰীসকলৰ সুৰক্ষা চৰকাৰৰ সৰ্বোচ্চ অগ্ৰাধিকাৰৰ বিষয়। নতুন দিল্লীত আজি সংবাদ মাধ্যমৰ হৈতে হোৱা কথা বতৰাত মন্ত্ৰীগৰাকীয়ে কয় যে চৰকাৰে বিমান সুৰক্ষাৰ নীতি-নিয়ম আৰু অসামৰিক বিমান পৰিবহন আইনৰ সুৰক্ষাৰ বিৰুদ্ধে বেআইনী কাৰ্যকলাপ দমন অধিনিয়ম ১৯৮২ ৰ সংশোধনী ঘটোৱাৰ বাবে পৰিকল্পনা গ্ৰহণ কৰিছে আৰু ভূৱা ফোনকল কৰা কাৰ্য দণ্ডনীয় বুলি অভিহিত কৰিছে। উড়ান আঁচনিৰ অষ্টম বৰ্ষপুৰ্তি উপলক্ষে মন্ত্ৰীগৰাকীয়ে কয় যে, চৰকাৰে অহা ১০ বছৰলৈ উড়ান আঁচনি ৰূপায়ণ কৰাৰ লগতে বৰ্তমানৰ বিমান বন্দৰসমূহৰ ক্ষমতা বৃদ্ধি কৰাৰ উদ্দেশ্যে আৰু ৫০ টা বিমান বন্দৰ আৰম্ভ কৰাৰ পৰিকল্পনা কৰিছে। তেওঁ কয় যে, এই উড়ান আঁচনিয়ে দেশৰ সুযোগ আৰু বিকাশৰ সম্ভাৱনা বৃদ্ধি কৰিছে। মন্ত্ৰীগৰাকীয়ে কয় যে, দেশৰ যিসমূহ ভিতৰুৱা অঞ্চলত পূৰ্বে বিমান বন্দৰ তথা বিমানেৰে যাত্ৰা কৰাৰ কথা অকল্পনীয় আছিল, চৰকাৰে এই আঁচনিৰ জৰিয়তে সেই অঞ্চলসমূহকো বিমান সেৱাৰে সংযোগ কৰিছে। তেওঁ লগতে কয় যে, বিগত দশকটোত দেশত বিমান বন্দৰৰ সংখ্যা ৭৪ ৰ পৰা ১৫৭ লৈ বৃদ্ধি পাইছে।

০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আৰু ছিংগাপুৰৰ প্ৰতিৰক্ষা মন্ত্ৰী ড০ এন জি ইং হেনে কাইলৈ নতুন দিল্লীত ভাৰত-ছিংগাপুৰ প্ৰতিৰক্ষা মন্ত্ৰীসকলৰ ষষ্ঠমলানি বৈঠকত সহ অধ্যক্ষতা কৰিব। দুয়োখন দেশৰ মাজত প্ৰতিৰক্ষা সহযোগিতা আগুৱাই নিয়াৰ উদ্দেশ্যে এই আলোচনা অনুষ্ঠিত হ'ব। আলোচনাত দুয়োপক্ষই পাৰস্পৰিক স্বাৰ্থজড়িত বিভিন্ন আঞ্চলিক আৰু গোলকীয় বিষয় লৈও মত বিনিময় কৰিব। ভাৰত আৰু ছিংগাপুৰৰ মাজত ব্যাপক কৌশলগত অংশীদাৰিত্ব আছে। এই ক্ষেত্ৰত দ্বিপাক্ষিক প্ৰতিৰক্ষা সম্পৰ্ক, এটা গুৰুত্বপূৰ্ণ স্তম্ভ হিচাপে বিবেচিত হৈছে। ভাৰতৰ এক্ট ইষ্ট নীতিত ছিংগাপুৰ হৈছে এটা গুৰুত্বপূৰ্ণ স্তম্ভ আৰু ভাৰত প্ৰশান্ত মহাসাগৰীয় দৃষ্টিভংগীৰ এটা গুৰুত্বপূৰ্ণ অংশীদাৰ। ভাৰত আৰু প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ স্থিৰতাৰ ক্ষেত্ৰত দুয়োখন দেশৰ মাজৰ প্ৰতিৰক্ষা আৰু সুৰক্ষা অংশীদাৰিত্ব এটা গুৰুত্বপূৰ্ণ দিশ হিচাপে বিবেচিত হৈছে।

০০০

সমাপ্ত